জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১২৩/২০২২

## কাৰ্বি আংলং জিলাৰ লৰিংথেপিত শান্তি, ঐক্য আৰু উন্নয়নৰ বিশাল জনসমাৰেশ

# কাৰ্বি আংলং জিলাত আয়োজিত অনুষ্ঠানত পশু চিকিৎসা মহাবিদ্যালয়, কৃষি মহাবিদ্যালয় আৰু আদৰ্শ চৰকাৰী মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

# প্ৰধানমন্ত্ৰীয়ে ৰাজ্যব্যাপী শুভাৰম্ভ কৰিলে অমৃত সৰোবৰৰ

# প্ৰধানমন্ত্ৰীৰ আগমণে কাৰ্বি ভূমিত নতুন প্ৰাণৰ সঞ্চাৰ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ এপ্ৰিল ঃ** আধুনিক শিক্ষাৰে মানৱ সম্পদ সৃষ্টি, কৃষি আৰু পশুধন খণ্ডৰ উন্নতিকৰণ তথা যুৱ সবলীকৰণৰ উদ্দ্যেশেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কাৰ্বি আংলঙৰ লৰিংথেপিত জিলাখনৰ মাঞ্জাত স্থাপন কৰিবলগীয়া পশু চিকিৎসা মহাবিদ্যালয় আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ কলঙাত স্থাপন কৰিবলগীয়া কৃষি মহাবিদ্যালয়, ওমপানাইত স্থাপন কৰিবলগীয়া আদৰ্শ চৰকাৰী মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। আনহাতে, প্ৰধানমন্ত্ৰীয়ে প্ৰতিখন জিলাত ১ হেক্টৰ এলেকাযুক্ত ৭৫ টা তকৈ অধিক জলাশয়ত জল সংৰক্ষণ আৰু জীৱিকা সৃষ্টিৰ উদ্দেশ্যৰে ২৯৮৫ অমৃত সৰোবৰৰ ৰাজ্যব্যাপী শুভাৰম্ভ কৰে।

একতা, শান্তি আৰু প্ৰগতিৰ বাবে লৰিংথেপিত অনুষ্ঠিত বিশাল ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অনন্য কলা-সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ কাৰ্বি আংলঙৰ ইতিহাসত আজি এক গৌৰৱোজ্জ্বল দিন। মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি ভূমিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনে নতুন প্ৰাণৰ সঞ্চাৰ কৰিছে।

ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ গীতৰ কলি আওৰাই মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বিসকল কৰ্মঠ আৰু সংস্কৃতিবান জাতি। অসমৰ জাতীয় জীৱন আগুৱাই নিয়াত কাৰ্বিসকলে উল্লেখনীয় অৱদান আগবঢ়াই আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বলিষ্ঠ পদক্ষেপৰ ফলত কাৰ্বিভূমিলৈ স্থায়ী শান্তি ঘূৰি আহিছে। শেহতীয়াকৈ স্বাক্ষৰিত কাৰ্বি শান্তি

চুক্তিয়ে কাৰ্বি ৰাইজৰ আশা-আকাংক্ষা পূৰণেৰে সমগ্ৰ অঞ্চলটোলৈ শান্তিৰ নতুন বাতাবৰণ কঢ়িয়াই আনিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে শান্তি আৰু প্ৰগতিক নতুন গতি দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে মাঞ্জাত এখন পশু চিকিৎসা মহাবিদ্যালয়, পশ্চিম কাৰ্বি আংলঙত এখন কৃষি মহাবিদ্যালয় আৰু ওমপানাইত চৰকাৰী মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপনৰ পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে কাৰ্বি শান্তি চুক্তিৰ সফল ৰূপায়ণৰ বাবে দায়বদ্ধতাৰে আগবাঢ়ি অসম চৰকাৰে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে অসমৰ প্ৰতিখন জিলাতে ৭৫টাকৈ ‘অমৃত সৰোবৰ’ নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে উদ্‌যাপিত অমৃত মহোৎসৱৰ শুভক্ষণত এয়া ৰাষ্ট্ৰৰ বাবে এক উল্লেখযোগ্য গঠনমূলক কাৰ্য। প্ৰতিটোপাল পানী সংৰক্ষণ আৰু জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণৰ লক্ষ্যৰে সমগ্ৰ অসমত প্ৰায় তিনি হাজাৰ ‘অমৃত সৰোবৰ’ গঢ়ি তোলা হ’ব। প্ৰতিটো অমৃত সৰোবৰৰ মাটিকালি প্ৰায় ১ বৰ্গ হেক্টৰ হ’ব বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ দ্বাৰা সংশ্লিষ্ট গাঁওবাসীৰ বাবে পৰ্যাপ্ত পানী উপলব্ধ হ’ব, মৎস্য উৎপাদন হ’ব, বৃক্ষৰোপণৰ জৰিয়তে পৰিৱেশ সুৰক্ষিত হ’ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আৰু মীন বিভাগৰ যৌথ উদ্যোগত এই অভিযান ৰূপায়ণ কৰা হ’ব। অমৃত সৰোবৰসমূহক ফুড্ ক’ৰ্ট, পানীৰ ফোঁৱাৰা আৰু আলোকসজ্জা আদিৰে আকৰ্ষণীয় কৰি তোলা হ’ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশাল জন সমুদ্ৰক সম্বোধন কৰা শান্তি, একতা আৰু উন্নয়নৰ এই ৰেলীত আদৰণি ভাষণ প্ৰদান কৰে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে। আজিৰ এই অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি তথা বিধায়ক ভৱেশ কলিতা, কাৰ্বি ৰজা ৰামছিং ৰংহাং, সাংসদ হৰেণ ছিং বে’, অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, বিধায়ক বিদ্যাছিং ইংলেং, দৰছিং ৰংহাং, ৰূপছিং তেৰন তথা অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / বীঃগঃ**
**২৮-০৪-২০২২**